# স্পষ্টীকৰণ

যোৱা ইংৰাজী ২০-০৭-২০১৫ তাৰিখে "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিত "দুবছৰ পূৰ্ণ কোকিলাৰ নেহা হত্যাকাণ্ড ঃ গ্ৰেপ্তাৰ নহ'ল অপৰাধী" শীৰ্ষক বাতৰিটো বঙাইগাঁও আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সংক্ৰান্তত স্পষ্ট কৰি দিয়া হৈছে যে মৃত নুৰ নেহাৰ খাতুনৰ পিতৃ গোচৰীয়া মঃ খালিলুৰ ৰহমানৰ এজাহাৰৰ ভিত্তিত অভয়াপুৰী থানাত ১৯১/১৩ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ১২০ (বি)/৩৬৬/৩৭৬ (এফ)/৩০২/ ২০১/৩৪ ধাৰাত গোচৰ ৰুজু কৰা হয়। গোচৰটোৰ সম্পৰ্কত তদন্তকাৰী বিষয়াই খলিলুদ্দিন আহমেদ, চানোৱাৰ ইছলাম, আকাশ আলী, আমজাদ হুছেইন, আব্দুছ চাত্তাৰ, আব্দুল খালেক, লাল ভানু বেগম, চান্দ মিঞা, চফিকুল ইছলাম আৰু হায়াত আলীক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে যদিও মূল পদকীয়া ক্ৰমে ওচমান গণী ওৰফে ওচমান আলী আৰু চোনা মিঞা ঘটনা সংঘটিত হোৱাৰে পৰা বৰ্তমানলৈ পলাতক অৱস্থাত আছে। সন্দেহ কৰা হৈছে যে ওচমান গনী ওৰফে ওচমান আলীয়ে বৰ্তমান গুজৰাট/দিল্লী অথবা উত্তৰ প্ৰদেশৰ কোনো স্থানত আৰু চোনা মিঞাই ডিমাপুৰ নাগালেণ্ডত আত্মগোপন কৰি আছে। আৰক্ষীয়ে দুয়োজন পদকীয়াক গ্ৰেপ্তাৰ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

27/7/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইংৰাজী ১৯-০৭-২০১৫ তাৰিখে “দৈনিক জনমভূমি” কাকতত প্ৰকাশিত “অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ দাবী সুতাপাৰাবাসীৰ” শীৰ্ষক বাতৰিটো গোৱালপাৰা আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত গোৱালপাৰা আৰক্ষী অধীক্ষকে স্পষ্ট কৰি দিয়ে যে বাতৰিটোত উত্থাপন হোৱা অভিযোগ সত্য নহয় আৰু ভিত্তিহীন। মাটীয়া থানাত পঞ্জীয়ণ হোৱা গোচৰটোৰ সম্পৰ্কত আৰক্ষীয়ে অভিযুক্ত আবুল কালাম আজাদ আৰু আমিনুল ইছলামকে ধৰি বাৰজন অপৰাধীক মহামান্য উচ্চতম ন্যায়ালয়ে আন্তঃবৰ্তীকালীন জামিন মঞ্জুৰ কৰে। আনহাতে, আন এজন অভিযুক্ত আজিবুৰ ৰহমানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। পৰৱৰ্তী কালত আবুল কালাম আজাদ আৰু আমিনুল ইছলামৰ বাহিৰে বাকী দহজন অপৰাধীক মহামান্য আদালতে জামিন মঞ্জুৰ কৰে। গোৱালপাৰা আৰক্ষী অধীক্ষকে মাটীয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক গোচৰৰ অভিযুক্ত আবুল কালাম আজাদ আৰু আমিনুল ইছলামক শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিছে। আৰক্ষী অধীক্ষকে জনোৱা মতে গোচৰটোৰ তদন্ত প্ৰক্ৰিয়া প্ৰায় সম্পূৰ্ণ হৈছে আৰু অতি সোনকালে আদালতত অভিযোগনামা দাখিল কৰা হ’ব।

22/9/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী